# ছিপ্ৰাজ্যোতি

## ছিপাঝাৰ মহাবিদ্যালয় আলোচনী



**SIPAJHAR COLLEGE MAGAZINE**

৩৬ সংখ্যক ঃ ২০১৭-১৮ বৰ্ষ

সম্পাদিকা ঃ মেঘালী দেৱী

# আলোচনী সম্পাদনা সমিতি



ড°প্ৰদীপ চন্দ্ৰ ডেকা, অধ্যক্ষ
উপদেষ্টা



ড° প্ৰসন্ন কুমাৰ নাথ
উপদেষ্টা



ড° দেৱব্ৰত বৰদলৈ
তত্ত্বাৱধায়ক



ড° সীমান্ত প্ৰকাশ বৰুৱা
শিক্ষক সদস্য



ড° মন্টু হাজৰিকা
শিক্ষক সদস্য



মেঘালী দেৱী
সম্পাদক



কাব্যশ্ৰী দেৱী
সদস্য



চন্দন নাথ
সদস্য



সঞ্জয় শৰ্মা
সদস্য



চয়নিকা কলিতা
সদস্য



ইনজামূল হক
সদস্য



ৰেৱন কুমাৰ নাথ
পদেন সদস্য

# ছিপ্ৰাজ্যোতি

## ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

৩৬ তম সংখ্যা ঃ ২০১৭-২০১৮ বৰ্ষ

# SIPRAJYOTI

## SIPAJHAR COLLEGE MAGAZINE

**VOL : 36**

**SESSION : 2017 - 2018**

তত্ত্বাৱধায়ক
ড° দেৱব্ৰত বৰদলৈ

সম্পাদিকা
মেঘালী দেৱী

**SIPRAJYOTI :**
**SIPAJHAR MAHABIDYALAY ALOCHANI :** The Annual College Magazine for the 2018, edited by Meghali Devi and Published by Sipajhar College Students' Union c Sipajhar College Sipajhar, Darrang, Assam

# ছিপ্ৰাজ্যোতি

## ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

৩৬তম সংখ্যা ঃ ২০১৭-২০১৮ বৰ্ষ

**সম্পাদনা সমিতি ঃ**

উপদেষ্টা ঃ
ড° প্ৰদীপ চন্দ্ৰ ডেকা, অধ্যক্ষ
ড° প্ৰসন্ন কুমাৰ নাথ

তত্ত্বাৱধায়ক ঃ
ড° দেৱব্ৰত বৰদলৈ

শিক্ষক সদস্য ঃ
ড° সীমান্ত প্ৰকাশ বৰুৱা
ড° মন্টু হাজৰিকা

সম্পাদিকা ঃ
মেঘালী দেৱী

ছাত্ৰ সদস্য ঃ
কাব্যশ্ৰী দেৱী
চন্দন নাথ
সঞ্জয় শৰ্মা
চয়নিকা কলিতা
ইনজামূল হক
ৰেৱন কুমাৰ নাথ (পদেন সদস্য)

প্ৰকাশক ঃ ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

বেটুপাত পৰিকল্পনা ঃ সম্পাদনা সমিতি

বৰ্ণাশুদ্ধি ঃ সম্পাদনা সমিতি

আলোকচিত্ৰ ঃ জ্যোতিষ্মান বৰুৱা, জয়ন্ত শৰ্মা

ৰেখাঙ্কন ঃ দীপশিখা নাথ

মুদ্ৰক ঃ মাল্টি গ্ৰাফিক্‌চ, লক্ষ্মীনাথ বেজবৰুৱা পথ, মঙলদৈ

ছিপ্ৰাজ্যোতি ঃ ছিপাঝাৰ মহাবিদ্যালয় আলোচনী, ছিপাঝাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, মেঘালী দেৱীৰ দ্বাৰা সম্পাদিত আৰু ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত।

## উছৰ্গা

মহাবিদ্যালয়খনিৰ সকলো শুভাকাংক্ষীৰ হাতত এই সংখ্যাৰ মহাবিদ্যালয় আলোচনীখন উছৰ্গা কৰা হ'ল।

- সম্পাদনা সমিতি

## অশ্ৰু-অঞ্জলি



পাৰ্থ প্ৰতিম ডেকা



অজয় বেজবৰুৱা



নিলাভ হাজৰিকা

মহাবিদ্যালয়ৰ ছাত্ৰ পাৰ্থ প্ৰতিম ডেকা, **অজয় বেজবৰুৱা** আৰু নিলাভ হাজৰিকাৰ লগতে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন ক্ষেত্ৰৰ জ্ঞাত-অজ্ঞাত যিসকল ব্যক্তি আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আতৰি গ'ল তেখেতসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি অশ্ৰু - অঞ্জলি যাচিলোঁ।

- সম্পাদনা সমিতি

# মহাবিদ্যালয় সংগীত

**কথা ঃ ড° প্ৰসন্ন কুমাৰ নাথ**
**সুৰ ঃ কুশল হাজৰিকা**

সাৰস্বত জীৱনৰ আধাৰ শিলাৰ
এয়া যে পৱিত্ৰ ধাম
সমাজ জীৱন পোহৰাই তুলি
এন্ধাৰ বিনাশিব খোজা
ছিপাঝাৰ মহাবিদ্যালয় যাৰ নাম।।

বিংশ শতিকাৰ একসত্তৰ চন
জ্ঞান অন্বেষী ছিপাঝাৰে ললে
মহান পণ
আনিবয়ে জ্যোতি শিখা অগণন।।

শত প্ৰদীপৰ জ্যোতিৰে বিধৌত
পোহৰ পিয়াসী হে প্ৰাণ
এন্ধাৰৰ দৈত্য, অসুন্দৰৰ সেনানী
হ'ব যে ম্লান।

তোমাৰ শকতি তোমাৰ মনীষা
হ'ব আগত দিনৰ আশা
মুকজনৰ মুখত দিব লাগিব
জীৱন দায়িনী ভাষা।
যি ভাষাত সপোন বিচাৰি পাম
ছিপাঝাৰ মহাবিদ্যালয় যাৰ নাম।।

## মহাবিদ্যালয় প্ৰতীকৰ অন্তৰ্নিহিত কথা ঃ

ছিপাঝাৰ মহাবিদ্যালয়ৰ অৰ্থ ব্যঞ্জক প্ৰতীক চিহ্নটো নিৰ্মাণ কৰি দিয়ে চতিয়া নৰ্মাল স্কুলৰ কলা বিভাগৰ প্ৰাক্তন শিক্ষক, চিত্ৰকৰ শ্ৰীমনোৰাম নাথদেৱে। তাত খোদিত উদিত অৰ্দ্ধ সূৰ্যই জ্ঞান-বিজ্ঞানৰ নতুন আলোক আৰু গতি-প্ৰগতিৰ কথা বুজাইছে। তাৰ ওপৰত থকা বন্তিগছিয়ে পৱিত্ৰ জ্ঞান, জ্যোতি আৰু নতুন আশাৰ কথা সূচাইছে। চৌহদৰ গোলাকৃতি ভূ-মণ্ডলৰ প্ৰতীকে প্ৰগতিৰ চক্ৰ, দুয়োদিশৰ ডিম্বাকৃতিৰ ৰছীৰ বান্ধোনে ঐক্য, সংহতি দুয়োদিশৰ শ্যাম বৰণীয়া শস্যৰ থোকে শান্তি, সমৃদ্ধি আৰু থাপনাত থাপিত গ্ৰন্থখনিয়ে পৱিত্ৰ সাধনাৰ অৰ্থেৰে প্ৰতীক অৰ্থব্যঞ্জক কৰি তোলাৰ লগতে দেখিবলৈ জাতিষ্কাৰ কৰি তুলিছে।




## সম্পাদকীয় .......




*জয়জয়তে এই বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা কৰুণাময় ভগৱানৰ ওচৰত শতকোটি প্ৰণাম জনাইছো। লগতে যিসকল মহান ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টা, শ্ৰম, আপ্ৰাণ চেষ্টা আৰু দূৰদৰ্শী চিন্তাৰ ফলস্বৰূপে এই ইতিহাস প্ৰসিদ্ধ ছিপাঝাৰ অঞ্চলত আমাৰ এই মন্দিৰ সদৃশ পৱিত্ৰ শিক্ষানুষ্ঠান 'ছিপাঝাৰ মহাবিদ্যালয়' প্ৰাণ পাই উঠিছিল, সেই সকল জ্ঞানৰ পূজাৰীলৈ মোৰ সম্পাদকীয়ৰ বাটচ'ৰাতেই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।*

*সাহিত্য-সংস্কৃতি হৈছে এটা জাতিৰ অলংকাৰ স্বৰূপ। জাতি এটাৰ সভ্যতা-সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা ইত্যাদি প্ৰতিফলিত হয় সাহিত্যৰ মাজেৰে। সাহিত্যই জাতি এটাৰ পৰিচয় দাঙি ধৰে। সাহিত্যৰ অস্তিত্বক বিলুপ্তি হ'বলৈ নিদি সাহিত্যৰ ৰূপৰেখা ভাল গঠনমূলকভাৱে গঢ়ি তুলিবলৈ আমি সকলোৱে আপ্ৰাণ চেষ্টা কৰা উচিত।*

*সমাজ এখনৰ মূল ভেটি হৈছে ছাত্ৰ-ছাত্ৰীসকল। কিয়নো আজিৰ ছাত্ৰ-ছাত্ৰী কাইলৈ দেশৰ নাগৰিক। সমাজ গঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা উল্লেখযোগ্য। গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ বিকাশৰ ক্ষেত্ৰত সাহিত্য-সংস্কৃতি, ৰীতি-নীতি আদিৰ জ্ঞান অত্যন্ত আৱশ্যক। এওঁলোকৰ বিকাশৰ ক্ষেত্ৰত ঘৰখনত, বিদ্যালয়খনত এটি সুস্থ পৰিৱেশৰ অতি প্ৰয়োজন। সুস্থ পৰিৱেশেহে ছাত্ৰ-ছাত্ৰীৰ সুস্থ মানসিকতা গঢ়ি তোলাত সহায় কৰে।*

*ছাত্ৰ-ছাত্ৰীসকলে মুক্তভাৱে সাহিত্য বিকাশৰ সুবিধা লাভ কৰে বিদ্যালয়-মহাবিদ্যালয়ৰ মুখপত্ৰৰ জৰিয়তেই। আলোচনী বা মুখপত্ৰৰ জৰিয়তেই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সাহিত্যক ভাবধাৰা গল্প, কবিতা, প্ৰবন্ধ আদিৰ মাজেৰে প্ৰকাশ কৰিব পাৰে। আৰু তাৰ পৰাই তেওঁলোকে সাহিত্যিৰ ক্ষেত্ৰখনত পদাৰ্পণ কৰাত উৎসাহ পায়। আলোচনীখন হৈছে বিদ্যালয়-মহাবিদ্যালয়ৰ এখন দাপোণ স্বৰূপ। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, সৃষ্টিশীল মানসিকতা গঢ়াৰ ক্ষেত্ৰত আলোচনী এখনৰ ভূমিকা উল্লেখযোগ্য।*

*প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তেও ছাত্ৰ-ছাত্ৰীৰ মনোনশীলভাৱৰ বিকাশ সাধন হয়। এই উদ্দেশ্যেই মোৰ কাৰ্যকালৰ সময়ছোৱাত দুখনকৈ প্ৰাচীৰ পত্ৰিকা তৈয়াৰ কৰি উলিওৱা হৈছে। ইয়াৰে এখন মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ইং ২৭/০১/২০১৮ তাৰিখে উন্মোচন কৰে মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ জ্যেষ্ঠ মুৰব্বী সহায়ক মাননীয় শ্ৰীট ংকেশ্বৰ ডেকাদেৱে। আৰু দ্বিতীয়খন মহাবিদ্যালয় নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি ইং ২৫/০৮/২০১৮ তাৰিখে উন্মোচন কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মাননীয়া শ্ৰীপ্ৰভা দেৱী বাইদেৱে।*

আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন ঃ

এইবেলি যিসকল ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত লিখনী দি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সহায় কৰিলে তেওঁলোকলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্যকালত সততে দিহা-পৰামৰ্শ আগবঢ়োৱা আৰু সকলো কামতে সহায় কৰা তত্ত্বাৱধায়ক মাননীয় ড° দেৱব্ৰত বৰদলৈ চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকা চাৰ, শ্ৰদ্ধাৰ ড° প্ৰসন্ন কুমাৰ নাথ চাৰ, ড° মন্টু হাজৰিকা চাৰ, ড° সীমান্ত প্ৰকাশ বৰুৱা চাৰ আৰু লগতে মাননীয় শিক্ষাগুৰু মণ্ডলীলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰু লগতে মোক বিভিন্ন দিশত সহায় আগবঢ়োৱা মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাই-ভনী, দাদা-বাইদেউ ক্ৰমে - হিমাঞ্জলী, উপাসনা, দিপশীখা, জনাৰ্দন, হৃদয়ানন্দ, খনিন্দ্ৰ, জ্যোতিষ্মান, ৰেৱন, জয়ন্ত দা, চয়নিকা, ভানু, ভাস্বতী, ইনজামুল, চন্দন, কাব্যশ্ৰী, সঞ্জয়, উৎসৱ আদিৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ পৰিষদৰ সকলো বিষয়-ববীয়াকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছো।

সদৌ শেষত 'ছিপ্ৰাজ্যোতি' সদায় নৱ-নৱ জ্যোতিৰে বিকশিত হোৱাৰ কামনা কৰাৰ লগতে ছিপাঝাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰিলোঁ।

- মেঘালী দেৱী



DR. PRADIP CHANDRA DEKA

## MESSAGE

It gives me immense pleasure to know that the $36^{th}$ edition of "CHIPRAJYOTI", the college magazine is going to be published on the auspicious occasion of "College Week for the Session 2017-18. The college magazine is a forum which can be used for recording events, fond memories and creative writing. I am confident that it will maintain its high standard with rich and valued write ups both from the students and teachers of our college. I extend my warm greetings to all those who contributed their time, talents and energy especially the Editorial Board for bringing out our College Magazine.

Dear students, each and every one of you will one day have to ascribe a meaning to your life. As Swami Vivekananda said "Truth can be stated in a thousand different ways, yet each one can be true." Your education here, in this college and outside it, during your time and long after your graduation, will help you find that truth. The true hallmark of that education would be one "by which character is formed, strength of mind is increased, the intellect is expanded and by which one can stand on one's own feet". So seek out that education, discover that truth and remember to use it well.

" Students – your dreams are our inspirations and your destination is our goal". I always dream of an ideal college. Lastly, I convey my good wishes for the successful publication of "CHIPRAJYOTI", 2017-18.

(Dr. P.C. Deka)
Principal
Sipajhar College

## মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ একাংশ



## অধ্যক্ষ সমন্বিতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



## মহাবিদ্যালয় ছাত্ৰ একতা সভা



## মহাবিদ্যালয় গৌৰৱ



বৰষা কলিতা
শ্ৰেষ্ঠ স্নাতক
(শিক্ষা বিভাগ)



হিমাংশু চহৰীয়া
বঁটাপ্ৰাপ্ত ৰাষ্ট্ৰীয় তথা ৰাজ্যিক
কাৰাটে খেলুৱৈ



ভৃগু চহৰীয়া
শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা)



মামনি বেগম
শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী)



হৃদয়ানন্দ নাথ
শ্ৰেষ্ঠ গায়ক



উদয় ভাস্কৰ নাথ
শ্ৰেষ্ঠ অভিনেতা



শিল্পীশিখা ৰাজবংশী
শ্ৰেষ্ঠ অভিনেত্ৰী তথা শ্ৰেষ্ঠ পৰিচালক



ইনজামুল হক
শ্ৰেষ্ঠ সমাজসেবক



পঙ্কজ কুমাৰ নাথ
শ্ৰেষ্ঠ কৌতুক অভিনেতা



ভবেশ কুমাৰ ডেকা
শ্ৰেষ্ঠ নবাগত



কাকলী কলিতা
শ্ৰেষ্ঠ নবাগতা




ইংৰাজী বিভাগৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ এটি মুহূৰ্ত



শিক্ষক গোটৰ দ্বাৰা মহাবিদ্যালয় চৌহদত গছপুলি ৰোপন



আলোচনীৰ তত্ত্বাৱধায়কৰ সৈতে গ্ৰন্থাগাৰিকা



গ্ৰন্থাগাৰৰ কৰ্মচাৰী দ্বয়



গ্ৰন্থাগাৰৰ ছাত্ৰ-ছাত্ৰী অধ্যয়ন কক্ষ



গ্ৰন্থাগাৰৰ ভিতৰ চ'ৰা



গ্ৰন্থাগাৰৰ শিক্ষক অধ্যয়ন কক্ষ




মহাবিদ্যালয়ৰ কম্পিউটাৰ কক্ষ



মহাবিদ্যালয়ৰ ছোৱালী আবাস




মহাবিদ্যালয়ৰ আলহী গৃহ

## মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ কেইটিমান মুহূৰ্ত
















# মহাবিদ্যালয়ত স্বাধীনতা দিৱস উদ্‌যাপন



# মহাবিদ্যালয়ৰ বিজ্ঞান ভৱন আৰু বিজ্ঞান শাখাৰ উদ্বোধনী অনুষ্ঠান





কোনো মানুহেই নিজে অকলে একো কৰিব নোৱাৰে। তেওঁ নিজে জীৱনত যি হ'ব পাৰিছে বা কৰিব পাৰিছে তাৰ কাৰণে তেওঁ সমাজৰ অসংখ্য মানুহৰ ওচৰত নানা প্ৰকাৰে ঋণী। নিজৰ কামৰ দ্বাৰাই সেই ঋণ পৰিশোধ কৰিবলৈ চেষ্টা কৰাটো প্ৰতিজন মানুহৰে পবিত্ৰ কৰ্তব্য।

— আইনষ্টাইন

## প্ৰবন্ধ সূচী


- চৰ্য্যাপদ — প্ৰাঞ্জল বৰদলৈ /১১
- শিক্ষা আৰু সংস্কৃতি — ভায়োলিনা দত্ত /১৩
- দেৱকান্ত বৰুৱা আৰু তেওঁৰ কবিতা- এটি পৰ্যালোচনা — কাকলি কৃষ্ণা কাশ্যপ/১৪
- বিহু সংস্কৃতিত "জেতুকা" — ভাগ্যশ্ৰী শৰ্মা /১৬
- ইতিহাস অধ্যয়নৰ আৱশ্যকতা — অপূৰ্ব্ব কলিতা /১৭
- অসমীয়া সংস্কৃতিত দৰঙী লোক-কৃষ্টিৰ প্ৰভাৱ — জনাৰ্দন নাথ /১৯
- অসমত অসমীয়া জাতিৰ বিলুপ্তি — খঞ্জনা নাথ /২৩
- আগ্নেয়গিৰি — শিল্পীশিখা নাথ /২৪
- ৰাজনৈতিক ব্যৱস্থাত মহিলাৰ অংশ গ্ৰহণ — জ্যোতিস্মিতা শৰ্মা /২৬
- বৰ্তমান সময়ত ইন্টাৰনেট ঃ ইয়াৰ ব্যৱহাৰ আৰু অপব্যৱহাৰ — দুৰ্গাশ্ৰী শইকীয়া /২৭
- মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন — দীপশিখা বৰুৱা /২৮
- মোৰ জীৱন যাত্ৰাৰ আদিপাঠ — হিমাঞ্জলী বৰুৱা /৩০




# চৰ্য্যাপদ


প্ৰাঞ্জল বৰদলৈ
৫ম ষাণ্মাসিক (বুৰঞ্জী বিভাগ)


বৌদ্ধ সহজযান ধৰ্ম আধাৰিত চৰ্য্যাপদবোৰ প্ৰাচীন অসম আৰু অসমীয়া জাতিৰ ঐতিহ্য বাহক জাতীয় সম্পদ। কিয়নো এই গীতবোৰে বা পদবোৰে প্ৰাচীন অসমৰ লিপি, ভাষা-সাহিত্য, সংগীত কলা, ধৰ্ম, সমাজ, ভিন-ভিন জাতি সম্প্ৰদায়ৰ চিন্তাধাৰা আৰু বাৰেবৰণীয়া থলুৱা-সংস্কৃতিৰ বিবিধ উপাদান সম্পৰ্কীয় তত্ত্ব আৰু তথ্য বহন কৰিছে। দেহ বিচাৰৰ গীতসমূহৰ ঐতিহাসিক উৎস এই গীতবোৰৰ মাজেৰে প্ৰাচীন অসমীয়া লোক সমাজত শ্ৰেণী ভিত্তিক দৃষ্টি-ভংগী, চোৰ-ডকাইত বা সাধু-সন্তৰ প্ৰতি সমাজৰ ধাৰণা, সমাজত নাৰীৰ স্থান, নানা জীৱ-জন্তুৰ উল্লেখ, মানুহৰ মাত কথা, জীৱিকাৰ সমল, কৃষিকৰ্ম, খাদ্য-বস্তু, অভাৱ-অনাটন, নৃত্য-গীত-নাটকৰ প্ৰতি স্পৃহা, বিবিধ বাদ্য যন্ত্ৰৰ ব্যৱহাৰ, সাহিত্য-সংস্কৃতিৰ চিন্তা-চৰ্চা, আধ্যাত্মিক উৎকৰ্ষতা সাধনৰ প্ৰতি নিষ্ঠা আৰু যোগ সাধনাৰ ক্ষেত্ৰত গভীৰ প্ৰৱণতা প্ৰকাশ পাইছে। আচলতে সহযান ধৰ্ম আধাৰিত চৰ্য্যাপদী বিষয়টোৱে অসমীয়া জাতিৰ প্ৰাচীন সভ্যতা আৰু সংস্কৃতিৰ অন্ধকাৰাচ্ছিন্ন দিশ এটি মুকলি কৰি দিছে। সংমিশ্ৰিত অসমীয়া সমাজৰ এক প্ৰকাৰ জাতীয় গুৰুত্ব বহন কৰা চৰ্য্যাপদৰ বিষয়ে অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

চৰ্য্যাপদবোৰ মহাযানী বৌদ্ধ ধৰ্মৰ অন্তৰ্গত তন্ত্ৰমান শাখাৰ শেহতীয়া পন্থা, সহজযান মতাৱলম্বী সিদ্ধাচাৰ্য্য সকলৰ ধৰ্ম সাধনা আৰু সাহিত্য চৰ্চাৰ প্ৰশস্ত নিদৰ্শন। 'সহজ' শব্দটি পাৰিভাষিক শব্দ, ই সিদ্ধাচাৰ্যাসকলৰ হাতত গঢ় লৈ উঠা সাধন মূলক এটি গুপ্ত পন্থা বা মাৰ্গকি বুজাইছে। বৰগীতৰ দৰে চৰ্য্যাপদবোৰ ৰাগ তালযুক্ত।

১৯০৭ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াৰ (চৰ্য্যাপদৰ) নাম দিছিল 'চয্যাচৰ্য্য বিনিশ্চয়'। তেওঁ পোৱা পুথিখন মূল পুথি নহয়। আচাৰ্য্য মুনিদত্তই লিখা টীকা পুথিৰ প্ৰতিলিপিহে আছিল। মুনিদত্তই লিখা টীকাৰ নাম পোৱা গৈছে 'চৰ্য্যাগীতিকোষ' বুলি। 'চৰ্য্যাপদ' নামটো হৰপ্ৰসাদ শাস্ত্ৰীয়ে দিয়ে। উল্লেখযোগ্য যে হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজধানী কাঠমাণ্ডুৰ জাতীয় অভিলেখালয়ৰ গ্ৰন্থ সংগ্ৰহালয়ৰ পৰা মুনিদত্তৰ টীকা পুথিৰ প্ৰতিলিপি 'চৰ্য্যাগীতিবেশষ' উদ্ধাৰ কৰিছিল।

চৰ্যাপদবোৰ ইঙ্গিতময়, কুহেলিকাছন্ন আৰু ইয়াৰ নিগূঢ় ধৰ্মতত্ত্ব অধ্যয়ন কৰা এক প্ৰকাৰ দুঃসাধ্য। সন্ধানী বা মৰমী ভাষাত ৰচিত চৰ্য্যাপদৰ বিষয়বস্তু বৌদ্ধ সহজীয়া ধৰ্মভিত্তিক। বৌদ্ধ সহজীয়া ধৰ্মৰ বিষয়ে নাজানিলে চৰ্য্যাপদ বুজা অতি কঠিন। গীত সমূহত অনেক সংকেত ধৰ্মী শব্দ আছে, সেই শব্দবোৰৰ ৰহস্য ভেদ কৰা সহজ নহয়। চৰ্য্যাগীতিকাৰ সকলৰ মতে গুৰু অবিহনে চৰ্য্যাপদ বুজা অসম্ভৱ। চৰ্য্যাপদৰ মূল উদ্দেশ্য ধৰ্ম প্ৰচাৰ হ'লেও তাৰ মাজত সাধাৰণ মানুহৰ জীৱন-ধাৰণ, জন্ম-মৃত্যু, বিবাহৰ চিত্ৰও



# দেৱকান্ত বৰুৱা আৰু তেওঁৰ কবিতা - এটি পৰ্যালোচনা

কাকলি কৃষ্ণা কাশ্য
২য় যাণ্মাসিক স্নাতকোত্তৰ (অসমীয়া বিভা

'কলংপৰীয়া কবি' ৰূপে খ্যাত দেৱকান্ত বৰুৱাৰ জন্ম হয় ১৯১৪ চনত নগাঁৱত। তেওঁৰ পিতৃৰ নাম আছিল নীলকান্ত বৰুৱা। দেৱকান্ত বৰুৱাই ১৯৩১ চনত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কাশী বিশ্ববিদ্যালয়ৰ পৰা ১৯৩৫ চনত বি.এ. ডিগ্ৰী লাভ কৰে। ১৯৩৭ চনত এল.এল.বি. পৰীক্ষাত উত্তীৰ্ণ হয়।

দেৱকান্ত বৰুৱাই ছাত্ৰাৱস্থাৰে পৰা সক্ৰিয় ৰাজনীতিত যোগদান কৰি কংগ্ৰেছকৰ্মী হিচাপে কাৰাবাস খাটিবলগীয়া হয়। দেৱকান্ত বৰুৱা ৰাজনীতিবিদৰ উপৰিও এজন ভাল সাংবাদিকো আছিল। যদিও দেৱকান্ত বৰুৱা ৰাজনীতি, সাংবাদিকতা আদি বিষয়ৰ লগত জড়িত কিন্তু পাঠক সমাজৰ মাজত পৰিচিত এজন ভাল কবি ৰূপেহে। আৱাহন যুগতে কবিতা ৰচনা কৰি এগৰা আগশাৰী কবি হিচাপে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল।

এই গৰাকী মহান ব্যক্তিৰ মৃত্যু হৈছিল ১৯৯৬ চনত।

দেৱকান্ত বৰুৱাৰ কবিতাত নাটকীয় স্বৰ্গতোক্তি অ গদ্যগন্ধী কবিতাৰ ভাষা সততে পৰিলক্ষিত হয়। তেওঁক 'প্ৰে কবি' বুলি কোৱা হয়। তেওঁৰ কবিতাত মানুহৰ বীৰ্য আৰু নিয়তি জয় ধ্বনিত হৈছে। বৰুৱাৰদেৱৰ একমাত্ৰ কবিতা পুথিখনৰ ন 'সাগৰ দেখিছা'। এই কবিতা পুথিখন ১৯৪৮ চনত প্ৰকাশ হ তেওঁৰ কেইটামান উল্লেখযোগ্য কবিতা হ'ল - 'অপ্ৰকা 'অসাৰ্থক', 'পৃথিৱী', 'সাগৰ দেখিছা', 'কলংপাৰত মাজনি 'তিলোত্তমা', 'দেৱদাসী', 'মোৰ দেশ মানুহৰ দেশ', 'লাচিত ফু



আমি মুকলি কৰোঁ'।

অসমীয়া কাব্য সাহিত্যলৈ যৌৱন সুলভ তেজ আৰু সৌন্দৰ্য অনা প্ৰেমৰ কবিজন হ'ল দেৱকান্ত বৰুৱা। তেওঁৰ কবিতাৰ ষ্টাইল তেওঁৰ নিজস্ব, কাৰো লগত মিল দেখা নাযায়। তেওঁৰ প্ৰেমিক কবি মনৰ উক্তি -

"ছন্দ গীতৰ মোৰ এই পূজা, গোপন আশাৰে
সপোন সজা;
এয়া যে লাহৰী ! তোমাক মজাই নিজৰ সুৰতে
নিজেই মজা;"

বৰুৱাদেৱৰ কবিতাত প্ৰেমৰ লগে লগে এক বিষাদ বোধে ক্ৰিয়া কৰে যদিও সেই বিষাদৰো এক সুকীয়া সৌন্দৰ্য আছে। কোনো এগৰাকী নাৰী তেওঁৰ কবিতাৰ মূল আধাৰ। সখী, লাহৰী, প্ৰিয়া, মনোৰমা নানা নামেৰে কবিয়ে তেওঁক সম্বোধন কৰিছে। এই প্ৰেয়সীৰ দেহ আৰু মন দুয়োটাই তেওঁৰ বাবে সঁচা।

কবিয়ে মুকলিকৈ প্ৰকাশ কৰিছে -

"নিটোপল বুকু লাটুমনি ওঁঠ
দুয়োপাৰি দাঁত ডালিম গুটি,
মকময় মোৰ জীৱনত সখী
তুমি কবিতাৰ একোটি সুঁতি"। (মনোৰমা)

সুন্দৰীৰ ৰূপৰ উপমা দিবলৈ ৰোমান্টিক উচ্ছাসেৰে তেওঁ নৰাতেকৈ শুৱনি বস্তুটোৰ সন্ধান কৰিছে আৰু নৱ-যৌৱনা প্ৰিয়াৰ সুকুমাৰ সৌন্দৰ্য্য প্ৰকাশ কৰিছে এইদৰে -

"যি ছাটি জোনাক দেহি আজিও পোৱাহি নাই
ধৰণীৰ ধূলিৰ পৰশ,
তুমি সেই আনন্দৰ আগমনী অনুভূতি
যৌৱনৰ প্ৰকাশ হৰষ"।

দেৱকান্ত বৰুৱাই আকৌ কবিতাত অভিমান কৰাও দেখা যায় -

"তোৰেই কবিতা লিখো
তোকে সপোনত দেখোঁ
তয়ে সোধ মই তোৰ কোন?"

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' এটা অতি জনপ্ৰিয় কবিতা-

"সাগৰ দেখিছা? দেখা নাই
কেতিয়াও? ময়ো দেখা নাই,
শুনিছো তথাপি,
নীলিম সলিলৰাশি বাধাহীন
উৰ্মিমালা আছে দূৰ
দিগন্ত বিয়পি"।

'সাগৰ দেখিছা' কবিতাতেই আকৌ পোৱা যায় -


"মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা
কেতেকীৰ হিয়া ভগা মাত।
যন্তীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জো আমি
বিজয়াৰ বিফল সন্ধ্যাত"।

দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেয়সীয়ে এৰি যোৱাৰ পিছত তেওঁ দুখত ভাগি পৰা নাই। তেওঁ শোক সাগৰত উটি ভাহি থকা নাই। বৰঞ্চ বাস্তৱক আঁকোৱালি লৈছে সহজভাৱে। এইবাবেই দেৱকান্ত বৰুৱা আন কবিতকৈ পৃথক।

"আমি দুৱাৰ মুকলি কৰো" কবিতাটিৰে দেৱকান্ত বৰুৱাই আধুনিক যুগৰ দুৱাৰ মুকলি কৰিছিল -

"মোৰ মেজৰ ওপৰত এখন ছবি আছে
নিকোলাছ ৰ'বিকৰ নাম তাৰ?
তাৰ নাম - আমি দুৱাৰ মুকলি কৰো।
কিহৰ দুৱাৰ? পূবৰ নে পশ্চিমৰ?
নে দক্ষিণৰ যৰ দুৱাৰ?"

কবিতাটিৰ জৰিয়তে দেৱকান্ত বৰুৱাই পৃথিৱীৰ বন্ধ দুৱাৰবোৰ মুকলি কৰাৰ আহ্বান জনাইছে।❑



# মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন

দীপশিখা বৰ
প্ৰথম ষাণ্মাসিক (শিক্ষা বিভা

এলবাৰ্ট আইনষ্টাইনৰ জন্ম হৈছিল ইং ১৮৭৯ চনৰ মাৰ্চ মাহৰ ১৪ তাৰিখে জাৰ্মানীৰ উল্ম চহৰত। তেওঁ কোনো মহত্ত্বৰ চিন লৈ জন্ম লোৱা নাছিল। বিপৰীত ক্ৰমে তেওঁৰ মাকে শিশুটোক অস্বাভাৱিক বুলি ভাবিছিল। তেওঁৰ মতে আইনষ্টাইনৰ মূৰটো বৰ ডাঙৰ যেন লাগিছিল। আঢ়ৈ বছৰ বয়সলৈকেও আইনষ্টাইনে মাত মাতিব শিকা নাছিল। যেতিয়া তেওঁ মাতিব পৰা হ'ল তেতিয়া তেওঁ সকলো কথা দুবাৰকৈ উচ্চাৰণ কৰিছিল। সেইবাবে খেলৰ লগৰীয়াবোৰৰ বাবে তেওঁ আমনিদায়ক আছিল। সেয়ে বেছি সময় তেওঁ অকলে খেলিছিল। তেওঁ প্ৰধানকৈ কাৰিকৰী পুতলা ভাল পাইছিল। নিজৰ এজন প্ৰধান শিক্ষকে তেওঁৰ দেউতাকক কৈছিল যে আইনষ্টাইনে জীৱনৰ কোনো কামতে সফল হ'ব নোৱাৰিব। মাকৰ ইচ্ছা অনুসৰি তেওঁ ভায়লিন বজোৱা শিকিব আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ এজন সুদক্ষ ভায়লিন বাদক হৈছিল গৈ। তেওঁৰ এই দক্ষতা তেওঁ আজীৱন বৰ্তাই ৰাখিছিল তেওঁ কিন্তু বেয়া ছাত্ৰ নাছিল। আইনষ্টাইনৰ বয়স ১৫ মাহ হওঁতে পৰিয়ালটো মিউনিকলৈ উঠি আহিছিল আৰু তাৰে এ হাইস্কুললৈ তেওঁক পঠোৱা হৈছিল। তেওঁ প্ৰতিটো বিষয়তে ভ নম্বৰ লাভ কৰিছিল। তেওঁ বিদ্যালয়ৰ কঠোৰ শৃংখলা ভাল পে নাছিল আৰু শিক্ষকৰ লগত তেওঁৰ মত বিৰোধ হৈছিল। ১৫ ব বয়সত তেওঁৰ এবাৰ উশাহ ল'ব নোৱাৰা অৱস্থা হৈছিল যাৰ ফ তেওঁ চিৰদিনৰ বাবে বিদ্যালয় ত্যাগ কৰিছিল।

ইয়াৰ আগৰ বছৰ আইনষ্টাইনৰ মাক দেউতাক মিলান গুছি গৈছিল আৰু তেওঁক আত্মীয়ৰ লগত থৈ গৈছিল। দীঘলী আলোচনাৰ অন্তত তেওঁ জাৰ্মানভাষী ছুইজাৰলেণ্ডৰ এখন চহ অধ্যয়ন কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল। সেই ঠাই মিউনিচতকৈ অ উদাৰ আছিল। আইনষ্টাইন গণিতত বৰকৈ পাৰদৰ্শী আছিল অ পদাৰ্থ বিদ্যাত আগ্ৰহী আছিল। বিদ্যালয়ৰ পিছত তেওঁ জুৰি এখন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু অ বিজ্ঞানে এইজন ওৱাল ৰাছৰ দাঁতৰ দৰে গোঁফ থকা দীপ্ত জে জনক আকৰ্ষণ কৰা নাছিল।



মিলেভা মাৰিক নামৰ এগৰাকী সহপাঠীৰ প্ৰতি তেওঁ বিশেষ আকৰ্ষণ অনুভৱ কৰিছিল। তাইক তেওঁ চতুৰ বুলি অনুভৱ কৰিছিল। এইগৰাকী নাৰী ছুইজাৰলেণ্ডলৈ আহিছিল। কাৰণ জুৰিচৰ বিশ্ববিদ্যালয়খন ইউৰোপৰ কেইখনমান বিশ্ববিদ্যালয়ৰ এনেকুৱা শিক্ষানুষ্ঠান আছিল য'ৰ পৰা নাৰীয়ে ডিগ্ৰী লাভ কৰিব পাৰে। তেওঁলোকে উভয়ে এসময়ত প্ৰেমত পৰিছিল। তেওঁলোকৰ প্ৰেম পত্ৰত বিজ্ঞানৰ লগত হৃদয়ৰ কোমলতাও আবদ্ধ হৈছিল।

২১ বছৰ বয়সত তেওঁ বিশ্ববিদ্যালয়ৰ এজন স্নাতক হৈছিল যদিও কিছুদিন নিবনুৱা হিচাপে কটাবলগীয়া হৈছিল। তেওঁ সহকাৰী শিক্ষকৰ কামো কৰিছিল আৰু ব্যক্তিগতভাৱে পাঠদানো কৰিছিল শেষত ইং ১৯০২ চনত তেওঁ কাৰিকৰী বিশেষজ্ঞৰূপে উৎপাদনৰ কৰ্তৃত্বশীল কাৰ্যালয় এটাত নিযুক্ত হৈছিল। যি সময়ত তেওঁ আনৰ আৱিষ্কাৰ সমূহ মূল্যায়ন কৰি আছিল। আঁচলতে সেই সময়ত তেওঁ গোপনে নিজৰ ধাৰণা সমূহকো ৰূপ প্ৰদান কৰি আছিল ধেমালিতে তেওঁ নিজৰ ডেস্কৰ ড্ৰয়াৰত "তাত্ত্বিক পদাৰ্থবিদ্যাৰ কাৰ্যালয়" বুলি অভিহিত কৰিছিল।

আইনষ্টাইনৰ "Special Theaory of Relativity" ইং ১৯০৫ চনত প্ৰকাশ পায় যিটো বিজ্ঞানী সকলৰ মাজত অতি উন্নত মানৰ বুলি পৰিগণিত হয়। ইয়াত কোৱা হৈছে যে সময় আৰু দূৰত্ব পূৰ্ণ ধাৰণা নহয়। আঁচলতে দুটা সঠিক ঘড়ী যদি একে গতিৰে ভ্ৰমণ নকৰে, ইহঁতে একে সময় নিদিয়ে।

এইটোৰ পৰা পৃথিৱীৰ আটাইতকৈ বিখ্যাত সূত্ৰ আৱিষ্কাৰ হয় E = mc2 য'ত E য়ে শক্তি, m = গোটা বস্তু আৰু c য়ে শূন্যত পোহৰৰ গতিবেগ সূচায়।

যি সময়ত আইনষ্টাইন পদাৰ্থ বিদ্যাৰ জটিল সমস্যাক লৈ ব্যস্ত আছিল তেনে সময়ত তেওঁৰ নিজৰ ব্যক্তিগত জীৱনৰ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। তেওঁ মিলেভা মাৰীকক বিয়া কৰাব খুজিছিল। কিন্তু মাকে তেওঁক বাধা দিছিল। তেওঁৰ মাকে তাইক আইনষ্টাইনতকৈ বহু ডাঙৰ বুলি কৈছিল। তদুপৰি তাইৰ বুদ্ধিমত্তাকলৈও তেওঁ চিন্তিত আছিল। সেয়েহে আইনষ্টাইনে বিয়াখন পিছুৱাই দিলে।

শেষত ইং ১৯০৩ চনৰ জানুৱাৰীত তেওঁলোকৰ দুটিকৈ পুত্ৰ সন্তানো জন্মিল। কিন্তু যুগ্ম জীৱন দীৰ্ঘস্থায়ী নহ'ল। মিলেভাই নিজৰ বৌদ্ধিক উচ্চাকাংক্ষা হেৰুৱাই অসন্তুষ্ট হৈছিল। ইং ১৯১৯ চনত তেওঁলোকৰ বিবাহ বিচ্ছেদ হ'ল সেই বছৰেই আইনষ্টাইনে তেওঁৰ সম্পৰ্কীয় ভনীয়েক এলছাক বিয়া কৰালে।

আইনষ্টানৰ ব্যক্তিগত নতুন অধ্যায়ে তেওঁৰ বিশ্বজোৰা যশ আনি দিছিল ইং ১৯১৫ চনত তেওঁ 'General Theory of Relativity' প্ৰকাশ কৰিছিল, যিটোৱে মাধ্যাকৰ্ষণক এক নতুন মাত্ৰা প্ৰদান কৰে। ইং ১৯১৯ চনৰ সূৰ্য গ্ৰহণ এটাই তেওঁৰ এই সূত্ৰৰ সঠিকতা প্ৰমাণিত কৰে। তেওঁ শুদ্ধভাৱে পোহৰৰ পথ পৰিৱৰ্তন সূৰ্যৰ মাধ্যাকৰ্ষণত হোৱা নিৰূপিত কৰে। বাতৰি কাকত সমূহে ইয়াক এক বৈজ্ঞানিক বিপ্লৱ আখ্যা দিছিল।

ইং ১৯২১ চনত তেওঁ পদাৰ্থ বিজ্ঞানৰ বঁটা লাভ কৰে। পৃথিৱীৰ সকলো ঠাইৰ পৰা তেওঁ সন্মান আৰু আমন্ত্ৰণ লাভ কৰে।

ইং ১৯৫৫ চনত ৭৬ ছৰ বয়সত আইনষ্টাইনৰ মৃত্যু হয়। তেওঁক এগৰাকী দ্ৰষ্টা বিশ্ব নাগৰিক আৰু বিজ্ঞানৰ অতি মেধা সম্পন্ন ব্যক্তি ৰূপে সন্মান জনোৱা হয়। ❑

# মাটি

ড° দেৱব্ৰত বৰদলৈ
মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ



মোৰ নাম মাটি
অইন নামো আছে ভালেকেইটি
তথাপি মানুহে মোক
মাটি বুলিয়েই ভাল পায় যেন পাওঁ।
মই কেতিয়া নিঃশেষ হ'ম তাকো মই নাজানো
মাথো জানো মোৰ উপৰিভাগত চলি আছে
নানান পৰিবৰ্তন
তাহানি দিনৰে পৰা এই ক্ষণলৈকে।

মোৰ বুকুতেই আছে সুউচ্চ পৰ্বতমালা, পাহাৰ, টিলা, হাঁফলু আদি
সাগৰ, মহাসাগৰ তথা আন্যান্য জলাশয়,
ৰক্তবাহী সিৰাৰ দৰে বৈ আছে
মোৰ বুকুতেই এঁকা বেঁকা নৈবোৰ যুগ যুগ ধৰি
হাবি-জংঘল, শস্যপথাৰ, মানুহৰ ঘৰবাৰী, মনোৰম উদ্যানবোৰ;
মোৰ বুকুতেই বিস্তাৰি আছে দশোদিশে
মই যেন কিমান চহকী, কিমান বিস্তৃৰ্ণ
অনাদি সময় জুৰি।

মোক লৈয়ে শিৰত জিলিকি থাকে
ৰজা, অধিৰাজৰ দম্ভপূৰ্ণ কিৰীটি, অতি গৰ্বেৰে
মোক পোৱাৰ বাবেই তেওঁলোকৰ মাজত যে কিমান
কাজিয়া-পেচাল, বিবাদ, ৰক্তলীলা, হিংসাৰ দাবানল
সমৰ, মহাসমৰ, মৃত্যু আৰু বিজয়ৰ উন্মাদ কিৰীলি
ধ্বংসৰ লেলিহান শিখা
হেৰোৱাৰ উচুপনি, হতাশাৰ বেদনা


মোৰ গাতযে কিমান সীমাৰেখাহু
ভিন ভিন দেশ, ভিন ভিন ভাষা-সংস্কৃতি
মাত্ৰ এক বেগেতৰ বাবে
মৰামৰি, কটাকটি
এৰা, ময়েই যেন মোৰ দুখৰ কাৰণ
হৰিণাই মাংসই বৈৰী
হৃদয়ত মাথো মোৰ বেদনাৰ খনি
কোনে বুজিব, কাকনো বুজাম
মোৰ কি হৈছে, কি হ'বলৈ লৈছে
মই যেন উপায়হীন।





মোৰ বুকুৰ ৰসতেই, জীবজগত,
উদ্ভিদ জগতৰ প্ৰাণৰ শকতি
ময়েই তেজ, বীৰ্য, খাদ্য আৰু ৰঙীন সপোন।

এৰা, মোৰ বুকুখন যে কিমান কোমল, দেহটো কিমান শ্যামল
তাতেই অত্যাচাৰ, হলাকৰ্ষণ, খননৰ নিপীড়ন
কংক্ৰীটৰ টিঘিল্‌ঘিলনি, অট্টালিকাৰ নিৰ্দয় স্থিতি
শিল, বালি, চিমেন্টৰ যেন অনিৰুদ্ধ জয়যাত্ৰা
মোৰ বুকুৰ কোমলতাত এতিয়া মাথো উন্নতিৰ দপ্‌দপনি।



পদাঘাতত মই কষ্ট নাপাওঁ
ভৰিতলাৰ কোমল পৰশে মোক যন্ত্ৰণা নিদিয়ে
ভয়লাগে মাথো হাতুৰীৰ কোব
সহ্য কৰি যাও
উপায়োতো নাই, দৌৰিব নোৱাৰো যেহু

পূজাৰ ফুল নিৰ্মালি মোৰ গাতেই পৰে
মই ধন্য হওঁ
আবৰ্জনাবোৰো পৰে মোৰ গাতেই
থু-খেকাৰ, মল-মূত্ৰ, লেতেৰা দমবোৰ
ময়েই ধাৰণ কৰো
খণ্ড নকৰো, সকলোবোৰ গ্ৰাস কৰি আনক পবিত্ৰ কৰো
মোকো পবিত্ৰ বুলি আনে মোক সান্তনা দিয়ে।

কেতিয়াবা মই উপলব্ধি কৰো
সৃষ্টিৰ মমতা যেন লোপ পাই আহিছে
ভাবো, শিলৰ মাজত জানো কুসুম ফুলে?
মোৰ দেহৰ সেউজীয়া ৰঙবোৰ যেন নোহোৱা
হ'বলৈ লৈছে
মোৰ বৰণ এতিয়া চিত পথিলাৰ দৰে ছৌখিন
কোনে শুনিব মোৰ হিয়াৰ উচুপনি, বেদনাৰ প্ৰতিধ্বনি
নাজানো কত দিন থাকিম এইদৰে
মই নিজকে উছৰ্গা কৰিছো আনৰ সুখৰ বাবে
পদাঘাত কিম্বা আবৰ্জনাবোৰ যেন মোৰ চিৰ লগৰী
বহুৰঙী ফুলবোৰ মাথো মোৰ সুখৰ প্ৰতিফলন
তাকে লৈয়ে শান্তি লভো;
কেতিয়াবা মাথো ভয় হয়-
সময়ত ময়ো কংক্ৰীট হৈয়ে যাও নেকিচু
মই কিন্তু মাটি হৈয়েই থাকিব বিচাৰো, কোমল মাটি।

ছিপ্ৰাজ্যোতি (ছিপাঝাৰ মহাবিদ্যালয় আলোচনী)/২০১৭-২০১৮

## জীৱন

হৃদয়ানন্দ নাথ
৪ৰ্থ ষাণ্মাষিক

নীৰৱতাৰ পৰিধি ভাঙি
সপোন সুঁৱৰি
আগুৱাই ব্যস্ত জীৱন
ব্যস্ত সময়
সোঁৱৰণি সেউজ কৰি
কবিয়ে কবিতা লিখে
নীৰৱতা আৰু কল্পনাৰ।
লাহে লাহে বেলি লহিয়ায়
পাহাৰৰ সিপাৰে
ৰাতিৰ নিজানত নিজৰ বাট বিচাৰি
বিনাই হিয়াভগা কেতেকীয়ে
প্ৰিয়জনে সপোন হৈ আহি কয়
কাৰ বাবে ৰৈ আছা
উদ্‌যাপন কৰা, জীৱনটো নিজৰ।



## ধুনীয়া পৃথিৱীখন

নিবেদিতা দেৱী
৫ম ষাণ্মাষিক

শুৱনি আমাৰ এই পৃথিৱীখনি,
বাস কৰে পশু-পক্ষী সকলো প্ৰাণী।
প্ৰাণী প্ৰাণ ঈশ্বৰৰ দান,
সকলো আছে এই পৃথিৱীত,
নিজৰাৰ কুলুকুলু মাতে
হিয়া-মন জুৰ কৰি পেলায়,
এই নিজৰাৰ পানী বৈ যায়
শিলৰ বুকুৰে,
মানুহৰ দিনবোৰ পাৰ হৈ যায়
নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে।
সুন্দৰ এই পৃথিৱীখনি
আমাৰ অতি আপোন
ইয়াতেই জন্ম লভি
এদিন যায় দূৰলৈ আঁতৰি।

## তোমাক হেৰুৱাই

ৰিংকুমণি বৰুৱা
৩য় ষাণ্মাষিক (ভূগোল বিভাগ)

কোন তাহানিতে তুমি মই বিচিন্ন হ'লোহঁ
নোহোৱা অপমান দি এৰি গুচি গ'লা
কোনো অচিন পথিকেই বিচিন্ন
কৰিলে আমাক
দিন বাগৰিল সময় আগুৱাল
অতীতে আহি খুন্দিয়াই বুকুত
আৰু ......... আৰু মোৰ দুচকুত
বাৰিষাৰ বান নামে।।
কোনোবা অচিনাকি বলিয়া প্ৰেমিকৰ
লগত মিলি গ'লা তুমিহঁ
মাথোঁ ৰৈ গ'লো
তোমাৰ প্ৰিয়তম
পূৰ্ব স্থানতেই।।
ভাবিছিলো
এদিন হ'লেও আহিবা; চিনাকি নদীৰ
ঘাট বিচাৰি।
কিন্তু আজিচোন অসম্ভৱ সেয়া
তোমাৰ বাবে
তুমিতো ভাবা তোমাৰ পৰা দূৰত থাকি
মই সুখী।
কেৱল ময়েই জানো
এতিয়া কেনেদৰে কটাওঁ মই দিনবোৰ
কিন্তু মনত ৰাখিবা
তোমাৰ হৃদয়ত মই কাহানিও
উভটি যাব নোৱাৰিলেও
তুমি যেতিয়াই মন কৰা তেতিয়াই
উভটিব পাৰা
মোৰ কাষলৈ......।।



## সত্য

প্ৰিয়ংকা নাথ
স্নাতক দ্বিতীয় ষাণ্মাষিক

কৰ্মৰ পথত লওঁ
সত্যই ভগৱান বুলি
যেনি চাওঁ তেনি পাওঁ
সত্যই ভগৱান মোৰ
অসত্যক গচকি থৈ
আগবাঢ়িম জীৱন যুদ্ধত
সত্যই ভগৱান মোৰ
জয় হ'ব মোৰ ভৱিষ্যত জীৱনত।

# কিয় দি গ'লা বেসুৰা বীণাখন... ?

খনিন্দ্ৰ নাথ
৩য় ষান্মাষিক (ৰাজনীতি বিজ্ঞান বিভাগ)

সংগোপনে আহি কেতিয়া গুচি গ'লা
তোমাৰ বেসুৰা বীণাখনি দি?
পিট-পিটাই বিচাৰি ফুৰিও
নেদেখিলো তুমি অহাৰ চিন-চাব
মেঘালী ওঁঠত গোলাপী ৰং সানি
কিমান গাঁঠিবা উকা শব্দৰে
বিষাদৰ মালাধাৰি.......।
গোলাপ গোলাপ লগা শব্দবোৰ এঠা লগাই
লাভ জানো আছে কাৰোবাক দি?
মৰমবোৰ সেমেকি কুহুমীয়া হ'ল
তোমাক হৃদয়খন দি ক'ত ভুল কৰিলো
উমানকেই নাপালো,
বিচাৰি ফুৰা অন্তৰঙ্গতাৰ ক্ষণ
উজাগৰি থাকিয়েই কৰো মোকামিলা,
আঁতৰি যাব ধৰা অমাবশ্যা ৰাতিবোৰ
পঙ্কিল যাতনা লৈ ঘূৰি আহিছে
যন্ত্ৰণাকাতৰ কবিতা হৈ মোৰ জীৱনলৈ
স্বাৰ্থান্ধ প্ৰেম কিয় সিঁচি দিছিলা
মোৰ সেউজীয়া পথাৰত........?
তুমি দি থৈ যোৱা বীণাখনত
হাত বুলালেই ঝঙ্কাৰিত হয়
প্ৰতিটো তাৰত কৰুণ বেদনা.....।
চন্দহীন গতিৰে কামনাৰ নাম বহুৱাই
গুচি গ'লা নিঃশব্দে
ডেউকা ভগা চৰাইৰ শেঁতা চাৱনি
এবাৰো নাচালা ঘূৰি।



# ভূপেন দালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

কাব্যশ্ৰী
৩য় ষাণ্মাষিক (অসমীয়া বিভা

তোমাৰ অবিহনে
তুমি গোৱা গানবোৰ
সকলোৰে তেজৰ শিৰাই শিৰাই
বেদনা মিশ্ৰিত বিননি যেন হ'ল।
তোমাৰ আপোনজন চাগে
কত নিশা উজাগৰে কটালে,
তোমাৰ গীতক গাই গাই
সান্ত্বনা লভিলে।
লুইতেও উচুপি উঠে
তোমাৰ সান্নিধ্য বিচাৰি,
জালুকবাৰীৰ কৃষ্ণচূড়াই
মৌনতাৰে যাঁছিছে শ্ৰদ্ধাঞ্জলি।
কৃষ্ণচূড়াৰ ফুলতো নাই
তাহানিৰ ৰঙৰ উজান,
আছে মাথোঁ
মনৰ গভীৰতালৈ শিপাই
যোৱা হুমুনিয়াহবোৰ।
অভিমানী প্ৰিয়মেও
তোমাৰ সৰলতাত
লেও সেও হৈ চকুলো টুকিছে,
ইমানদিনে নুবুজা কথাবোৰ
এটি এটিকৈ দোলা দি গ'ল।
অগণন জনতাৰ মাজত
নিজকে তুচ্য জ্ঞান হ'ল।





# ফাগুন আকৌ আহিব

আকিঞ্চনা ডেকা
৩য় ষাণ্মাষিক

ফাগুনৰ পচোৱাত আকৌ
গছ-লতিকাই হালি-জালি নাচিব।
তাকে দেখি বেদনাসিক্ত হিয়াই
প্ৰাণ পাই উঠিব।
ফাগুনৰ পচোৱাই উৰুৱাই নিব
দেহ-মনৰ পুৰণি বিষাদ,
মন অৰণ্যত হ'ব নতুনত্বৰ সন্ধান।
শুকান পাতৰ দৰে দুখবোৰো সৰি সৰি পৰিব
মনৰ নিজানত ৰাঙলী পলাশে উখল-মাখল লগাব।
ফাগুন আকৌ আহিব,
অপূৰ্ণ আকাংক্ষা পুনৰ সতেজ কৰি তুলিব।
জীৱনৰ ধুনীয়াবোৰে আকৌ হাত বাউলি দি মাতিব।
নতুন হাবিয়াসেৰে পলাশী হিয়া পূৰ্ণ হৈ ৰ'ব।
ফাগুন আকৌ আহিব........।।

# মন

দীক্ষা ৰাণী দেৱী
৫ম ষান্মাষিক (অসমীয়া বিভাগ)

মন এক অদ্ভুত সাঁথৰ
বন্ধুত্বৰ মাজতো সি কেতিয়াবা কেতিয়াবা
তেনেই অচিন,
হয় মাথোঁ ভুল বুজা-বুজি
কেতিয়াবা আকৌ নিজৰ মনটোও যেন অচিন
আকৌ কেতিয়াবা
আনৰ মনটো হয় বৰ চিনাকি চিনাকি
এটি মনে আন মনৰ সৈতে
কেতিয়াবা যুঁজে
কেতিয়াবা উমলে
আত্মীয়তাৰ দোলেৰে কেতিয়াবা বান্ধ খায়
মন হয় কেতিয়াবা নিষ্ঠুৰ,
কেতিয়াবা স্বাৰ্থান্ধ
কি যে অদ্ভুত এই মানুহৰ মন।




# Skill Development and Government of India Initiatives in Skilling Rural Youth

**Gultaz Begum**
HoD, Department of Economics

**Introduction:**

India today has the world's largest youth population and as the country strives to move towards a new India by 2022, the 75th year of India's independence, it is the youth of the country who have to take the great leap forward. In India around 75% of the people live in villages. Major population is still living below poverty line especially rural population. They have to struggle to meet even their primary need. Their living status is very low. In spite of such an enormous potential in rural India, thousands and millions of youth migrate every day to the urban areas in search of employment and livelihood. This is only because of the lack of development in rural areas. According to Census report of 2011 the urban population is growing from 10.8% to 31.2%. There are many leading factors, responsible for migration of rural population towards urban area. Unemployment is one of those influencing factors. In India 68.8% of population is living in rural area are dependent on agricultural activities for their bread and butter. For want of well established infrastructure in rural areas, lack of facilities for education and financial support, a huge portion of the rural human resources goes waste. With Government and private sector's initiatives, the rural India can be converted into the most potential propeller of the Indian Economy. At present launched "Make In India" program by the NDA government is an initiative in this area. Keeping in mind the ever growing purchasing power of the Indian population, many MNCs are interested in setting up their manufacturing facilities in India. The Government of India should make it compulsory for these MNCs to set up their factories in rural area alone. Increased domestic production will not only help in catering to the domestic demands but will also generate foreign exchange through exports of the finished goods. A wide range of aesthetic and unique products like herbs, handloom, khadi, handicrafts and textiles etc are being exported from India to various countries across the globe. It should be made compulsory for these

industries to set up their manufacturing units in rural India alone. It will make it possible for the rural population to become self-sufficient and economically independent.

**Skill development training programs needs of the rural youths:**

A major long-term challenge in India is that many youth, because of lack of awareness and improper training on agripreneurship are migrating from rural to urban areas. They cannot afford to remain unemployed for long and, hence, pick up activities which lead to underemployment. Rural areas are rich in raw material for industries. Prosperity of rural areas will not come unless employment will be created at the rural areas itself. Establishment of micro or household industries in rural areas can break the cycle of poverty and ensure food safety and way to decent livelihood by providing employment to rural youth, women, farmers and landless people.

Skill development schemes focus on infrastructure development in rural India are the need of the hour. It could be a great initiative if government schools can add vocational training along with other subjects across the nation. Apart from this, such schemes should be floated to use school infrastructure in post school hours for training and skill development. The dream of India becoming a super power aligned with countries such as the US, and neighbouring China, can be transformed to reality only with proper utilization of resources.

Keeping in mind the level of education, technical knowhow and the attitude of the rural youths in India, there is a need to customize the pattern of skill development programs. We cannot design the same kind of curriculum what is meant for the urban youth whose knowledge, grasping and adaptability is far advanced than their counterparts in rural are. There is another problem of the conflict of preferences and choices between the child and his parents. While parents deciding about their career of their children to become a Doctor, Engineer or a Businessman, child's aspiration and goals are totally ignored. Consequently, parents are literally forcing their children to do something he is not at all interested into. There is therefore an urgent need of restructuring the skill development training programs according to the needs of the rural youths.

The rural youths in India are not at par with their urban counterparts on account of following reasons:

- Low quality of education standards and high dropout rates in rural schools create learners with low educational qualifications.
- There exists a major gender bias toward women in obtaining vocational training.
- Even though a significant majority of the employment exists is in the informal sector, training and other related interventions are not geared to the needs of this sector.
- Rural youth miss out on the opportunity on industrial training sponsored by various local and government agencies of urban areas.
- Inadequate number of training institutes in rural areas.
- Rural youths have to spend more in obtaining training from urban centers.
- The cost of getting job information is high for the rural youth.
- Rural youths are less equipped with job-related information or skills that are currently in demand.

- Lack of guidance and counselling for skill development amongst rural youth.
- Lack of a common National Eligibility Criteria that defines the competency framework for affiliation and for accreditation.
- Lack of qualified trainers.
- Lack of rural broadband network, which can assist in skill training for rural youths.

**Government Initiatives on Skill Development:**

Government has started many vocational courses, training programs, schemes and programs for skill development of youth to promote rural entrepreneurship. In the Twelfth Five Year Plan, the skill development is one of the priority agendas of the government. On the one hand the government has planned to set up Sector Skill Councils to prepare standards required for training programs, on the other hand, the industries are also taking concrete steps to reduce the skill gap in association with the governments. Moreover, the government is constantly increasing the allocation of funds for skill development under the National Skill Development FUND (NSDF).

Following steps have been taken to overcome the difficulties being faced in skill development programs of the rural youths in India:

In association with private sector, various ministries have created infrastructure for skill development such as ITIs, polytechnics, community polytechnics, secondary schools. A few of the key initiatives of the government are as follows:

- While existing ITIs are being upgraded to centers of excellence to produce multi-skilled workforce of world standards, the new ITIs are being established in under-served regions.
- Through Memorandum of Understandings, the government is bringing about the reforms and imposing an obligation on States to transfer autonomy to Public Private Partnerships.
- While upgrading the existing government polytechnic institutions,
- Setting up more and more polytechnics in Public Private Partnership modal.
- Expansion of Vocational education expanded from 9,500 senior secondary schools to 20,000 schools and the intake capacity was increased from 1 million to 2.5 million.

**Skill Training of Rural Youth (STRY)**

Government has also started Skill Training of Rural Youth (STRY), aimed at imparting skill-based training to rural youth on agri-based vocational areas in compliance with National Policy on Skill Development and Entrepreneurship - 2015 in agriculture and allied areas to promote employment in rural areas. Government has Offer modular skill training opportunities to rural youths including farmers and farm-women, based on local needs and create a pool of skilled manpower to perform farm and non-farm operations. Rural youth of the age group of 18 years and above with minimum qualification, preferably 5th standard, however, the minimum qualification is not mandatory.

**5. Current Initiatives in Skilling Rural Youth:**

India is faced with a huge workforce that is unskilled/semi-skilled and to absorb them into decent jobs, the country faced with the task of imparting short-term certificate courses as well as Recognition of Prior Learning (RPL) for those who are already employed. Under the Pradhan Mantri Kaushal Vikash Yojana (PMKVY), till 1st February, 2018, about 44.13 lakh candidates have been trained of which 29.91 lakh received short-term training and 7.82 lakh in RPL and about 6.4 lakh are undergoing training in

short-term and RPL. As regards placement under PMKVY 2.0 as on 1st February, 2018, out of 11.8 lakh trained candidates, 7.9 lakh candidates were certified and 2.8 lakh candidates received placement. Under the Deen Dayal Upadhyaya Grameen Kaushal Yojana (DDU-GKY), a placement linked skill-training programme for the rural poor youth during 2017-18, 1.03 lakh were trained in 398 trades out of which 64,967 were given placement as on 31st December, 2017.

**Conclusion:**

Rural People are not aware of these government initiatives. So it is necessary to raise awareness among rural people regarding government schemes and programs being run for the promotion of rural entrepreneurship. Rural people are not technically skilled. So it becomes an urgent need to develop technical skill of rural people to fill this skill gap. Women and youth are deficit in decent livelihood. Youth and women should be motivated to participate in economic development of nation through establishing enterprises at local area. Conventional vocational courses should be replaced by new vocational courses based on technology for rural development. The Union Budget 2018-19 in terms of allocation has given a boost to agriculture, infrastructure creation in rural areas, education in villages and backward districts, adaption of backward districts among others. The emphasis is an strengthening the rural sectors, where majority of the youth that would enter the labour market in the coming years resides.

**References :**


1. Sanjeeb Hazarika, 2016, A Study on State Institute of Rural Development for Rural Enterpreneurship: A Study on State Institute of Rural Development (SIRD), Assam, International Journal of Research and Analytical Reviews. Vol.3(issue3)
2. Annual Status of Education Report 2017
3. Kurukshetra: A Journal on Rural Development, Vol. 66, No. 60, March 2018
4. "A skilled India," indiatoday website, http://indiatoday.intoday.in/story/a-skilledindia/1/146363.html, accessed 4 August 2012
5. Skill Training of Rural Youth (STRY), Directorate of Extensio n, Department of Agriculture, Cooperation and Farmers Welfare, Ministry of Agriculture and Farmers Welfare, Govt. of India.



# William Shakespeare

**Kabyashree Devi**
B.A. 3rd Semester

William Shakespeare is considered to be the greatest playwrighter in the English literature and one of the most beloved playwrighter in the world not much is known about Shakespeare's life. He was born in Stratford-on-Avon, England, in 1564. This was during the reign of Queen Elizabeth I. In his late twenties, Shakespeare went to the city of London to write and act. He joined a theatre troupe and began to write Plays.

Over the next twenty years, Shakespeare wrote thirty eight Plays and many Poems. From his writing we can learn that he knew a lot about human feelings, about city and country life. Most of the stories that Shakespeare told were known to his audience. But his characters and the way he told their stories in his Plays attracted crowds of people of the Globe. Theatre, where his troupe often performed.

Four hundred years later, people still enjoy reading Shakespeare's Plays and seeing them onstage and in films. They quote his most famous lines and laugh and cry along with his characters. Shakespeare's Plays have remained popular for several reasons. His characters show realistic human emotions. His plots are often complicated, but they always hold the audience's attention. And his language is powerful and poetic.

Some of Shakespeare's Plays, such as Hamlet, have very sad endings. They are called 'tragedies' others such as A Midsummer Night's Dream, are full of silly plots and have happy endings. They are the 'comedies'. Other Shakespeare Plays, such as 'Julius Caesar' or 'Henry V', are based on real life figures and events. These are the 'histories'. And some Plays, such as 'Romeo and Juliet', have a little bit of everything: romance, comedy and tragedy. □



# Child Labour – A Social disease

**Bharakha Deka**
3rd Sem. (Pol. Science Dept.)

One of the best things that can happen to a person in his life to have a happy childhood A period where the child should be going to school and playing, developing oneself spiritually and emotionally. But there is a problem of child labour.

Child labour is the employment of children below a certain age, which is considered as illegal by law and custom. For domestic work, factory work and agriculture etc. deprives them of the pleasures of childhood and distorts promising lives. Child labour is a disease that is mantally, physically and morally dangerous.

Child labour appeared b the end of the 18th century and is still prevalent in our present society. About 38% of todays working population are children. 55% of these are between 5-14 years old. Children start working at a very tender age due to reasons like pouerty, lack of proper education, over population, governmental failure, growth of informal economies, high education and living cost.

Poor families put their children to work in order to improve the families economic status. They don't give much importance to education and refrain their children from attending schools. For the poor families child labour is the only choice open to them to survive in this world. Elimination of child labour will be a distance dream as long as the socio-economic status of poor families is not improved.

India is doing its least to tackle child labour. Article 24, 39 and 45 from the constitution of India states that no child labour the age of 14 shall be employed, children are to be protected against exploitation and the state to provide free and compulsory education for all children till the age of 14 years. The citizens and the other hand, should give avoid child labour so that their children can be sent to school.

Child labour is a disease that should be erridicated, leaving no trace behind for future generations. The future of the world depend on children since the children of today are the citizens of tomorrow. A child is the father of man. Teeding a child, sending him to school and having him experience a normal childhood. □



# The Sphere of our college

**Nikumani Saharia**
5th Sem. (English Dept.)

Holy sun comes in the morn
With his brightly holiness,
Brilliance has brought for us
New delight for the days.
Lovely flowers of the fair garden
Fascinate us to the heart,
Our honorable teachers look them
As the calm sphere begins.
Friends' attachment
Makes us happy,
Teachers' loves and benefaction
Make us lucky.
No lake of honesty is here,
No lack of discipline,
Charming views are in the sphere,
No lack of care is there.
We forget sorrows,
We see no deadly arrows,
We march through the path of gaiety,
As we glance at the floral beauty.

# ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষসকল
# (১৯৭১ - ২০১৮) লৈ

| অধ্যক্ষসকল | কাৰ্যকাল | |
|---|---|---|
| শ্ৰীভদ্ৰেশ্বৰ নাথ, এম. এ. বি. টি. (অবৈতনিক) | ৮-৮-১৯৭১ ৰ পৰা | ১৯-১-১৯৭২ লৈ |
| ড° চন্দ্ৰ প্ৰভা ভূঞা, এম. এ. পি. এইচ. ডি. (ভাৰপ্ৰাপ্ত) | ২০-৮-১৯৭২ ৰ পৰা | ৩১-১-১৯৭৪ লৈ |
| শ্ৰীভবানন্দ ৰাজখোৱা, এম. এ. | ১-২-১৯৭৪ ৰ পৰা | ১৬-৭-১৯৮২ লৈ |
| শ্ৰীৰেৱণ চন্দ্ৰ নাথ, এম. এ. | ২২-৭-১৯৮২ ৰ পৰা | ২৮-২-২০০৩ লৈ |
| শ্ৰীবিদ্যাৰাম নাথ, এম. এ. (ভাৰপ্ৰাপ্ত) | ১-৩-২০০৩ ৰ পৰা | ৩০-৪-২০০৫ লৈ |
| ড° দেবেন্দ্ৰনাথ শৰ্মা, এম. এছ. চি. পি. এইচ. ডি. | ৪-৫-২০০৫ ৰ পৰা | ২০-৬-২০০৬ লৈ |
| শ্ৰীকনক চন্দ্ৰ ডেকা, এম. এ. (ভাৰপ্ৰাপ্ত) | ২১-৬-২০০৬ ৰ পৰা | ২২-১-২০১২ লৈ |
| ড° প্ৰদীপ চন্দ্ৰ ডেকা, এম. এছ. চি. বি. এড. পি. এইচ. ডি. | ২৩-১-২০১২ ৰ পৰা বৰ্তমানলৈ | |


ভদ্ৰেশ্বৰ নাথ



ডঃ চন্দ্ৰ প্ৰভা ভূঞা


ভবানন্দ ৰাজখোৱা


ৰেৱণ চন্দ্ৰ নাথ


বিদ্যাৰাম নাথ


ডঃ দেবেন্দ্ৰনাথ শৰ্মা


কনক চন্দ্ৰ ডেকা


ডঃ প্ৰদীপ চন্দ্ৰ ডেকা

## বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী (ডক্টৰেট) লাভ কৰি মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই অনা অধ্যাপকত্ৰয় (২০১৭-২০১৮বৰ্ষ)



ড° মন্টু হাজৰিকা
(ইংৰাজী বিভাগ)



ড° বৰ্ণালী শৰ্মা
(ইংৰাজী বিভাগ)



ড° মুকুল কুমাৰ চহৰীয়া
(অসমীয়া বিভাগ)



## বৰ্তমানলৈ মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা সন্মানীয় অধ্যাপক-অধ্যাপিকাবৃন্দ ঃ

| নাম | অৱসৰ তাৰিখ |
|---|---|
| প্ৰয়াত ৰেৱণ চন্দ্ৰ নাথ, অধ্যক্ষ | ২৮/২/২০০৩ |
| বিদ্যাৰাম নাথ, অধ্যক্ষ(ভাৰপ্ৰাপ্ত) | ৩০/৪/২০০৫ |
| ড° মোহিনী গোস্বামী | ৩১/৩/২০১৩ |
| কনক চন্দ্ৰ ডেকা | ৩০/৪/২০১৩ |
| তীৰ্থনাথ শৰ্মা | ৩১/১/২০১৪ |
| মিনতি গোস্বামী | ৩১/১/২০১৪ |
| মহেন্দ্ৰ কটকী | ২০১৮ |
| ড° তন্দ্ৰালী চৌধুৰী | ৩১/৬/২০১৮ |
| ড° দিবাকৰ চন্দ্ৰ দাস | ৩১/৭/২০১৮ |
| জয়ন্ত হাজৰিকা | ২০১৮ |
| ইমৰাণ হুছেইন | ২০১৮ |
| চক্ৰপাণি বৰা | ২০১৮ |

## বৰ্তমানলৈ অৱসৰ গ্ৰহণ কৰা কাৰ্যালয় সহায়কবৃন্দ ঃ

| নাম | অৱসৰ তাৰিখ |
|---|---|
| নবীন চন্দ্ৰ বৰা | ৩১/১/২০১১ |
| পদ্ম কান্ত হাজৰিকা | ৩০/৯/২০১৫ |
| গৌতম বৰুৱা | ২৯/২/২০১৬ |
| গোলাপ চন্দ্ৰ নাথ | ৩১/৩/২০১৬ |
| জয়মতী বৰুৱা (পুথিভঁড়াল) | ৩১/১২/২০১৬ |
| টংকেশ্বৰ ডেকা | ২০১৮ |
| ৰেবকান্ত ডেকা (পুথিভঁড়াল) | ২০১৮ |

## কৰ্মৰত অৱস্থাত স্বৰ্গগামী হোৱা মহাবিদ্যালয়ৰ অধ্যাপক আৰু কৰ্মচাৰী

| নাম | মৃত্যু তাৰিখ |
|---|---|
| দ্বীজেন্দ্ৰ নাথ তালুকদাৰ (অধ্যাপক) | ৯/১০/২০০৯ |
| মহেন্দ্ৰ শৰ্মা (কৰ্মচাৰী) | ১২/১০/২০০৬ |

# ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰপৰিষদৰ সাধাৰণ সম্পাদক আৰু সভাপতিসকল
## (১৯৭১ - ২০১৮)

| চন | সাধাৰণ সম্পাদক | সভাপতিসকল |
|---|---|---|
| ১৯৭১ - ১৯৭২ | চুবিদ আলী | ভদ্ৰেশ্বৰ নাথ |
| ১৯৭২ - ১৯৭৩ | আব্দুল মতলিব | চন্দ্ৰপ্ৰভা ভূঞা |
| ১৯৭৩ - ১৯৭৪ | ঘনকান্ত শৰ্মা | চন্দ্ৰপ্ৰভা ভূঞা |
| ১৯৭৪ - ১৯৭৫ | লয়ন চন্দ্ৰ ডেকা | ভবানন্দ ৰাজখোৱা |
| ১৯৭৫ - ১৯৭৬ | কুঁহিৰাম কলিতা | ভবানন্দ ৰাজখোৱা |
| ১৯৭৬ - ১৯৭৭ | — | ভবানন্দ ৰাজখোৱা |
| ১৯৭৭ - ১৯৭৮ | — | ভবানন্দ ৰাজখোৱা |
| ১৯৭৮ - ১৯৭৯ | | ভবানন্দ ৰাজখোৱা |
| ১৯৭৯ - ১৯৮০ | মহেশ্বৰ চহৰীয়া | ভবানন্দ ৰাজখোৱা |
| ১৯৮০ - ১৯৮১ | টংকেশ্বৰ ডেকা | ভবানন্দ ৰাজখোৱা |
| ১৯৮১ - ১৯৮২ | টংকেশ্বৰ ডেকা | ভবানন্দ ৰাজখোৱা |
| | | বেৰণ চন্দ্ৰ নাথ |
| ১৯৮২ - ১৯৮৩ | দিবাকৰ চহৰীয়া | বেৰণ চন্দ্ৰ নাথ |
| ১৯৮৩ - ১৯৮৪ | জিতেন কুমাৰ বৰুৱা | বেৰণ চন্দ্ৰ নাথ |
| ১৯৮৪ - ১৯৮৫ | দুলাল বৰুৱা | বেৰণ চন্দ্ৰ নাথ |
| ১৯৮৫ - ১৯৮৬ | ৰমণী ডেকা | বেৰণ চন্দ্ৰ নাথ |
| ১৯৮৬ - ১৯৮৭ | উত্তম কুমাৰ ডেকা | বেৰণ চন্দ্ৰ নাথ |
| ১৯৮৭ - ১৯৮৮ | হৰেন্দ্ৰ নাথ ডেকা | বেৰণ চন্দ্ৰ নাথ |
| | দিলীপ কুমাৰ ডেকা (ভাৰপ্ৰাপ্ত) | |
| ১৯৮৮ - ১৯৮৯ | কৈলাশ চহৰীয়া | বেৰণ চন্দ্ৰ নাথ |
| ১৯৮৯ - ১৯৯০ | মইনুল হক চৌধুৰী | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯০ - ১৯৯১ | অনিল চহৰীয়া | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯১ - ১৯৯২ | জগদ্বীশ বৰুৱা | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯২ - ১৯৯৩ | হবিবৰ ৰহমান | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯৩ - ১৯৯৪ | সুভাষ নাথ | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯৪ - ১৯৯৫ | পৰেশ বৰুৱা | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯৫ - ১৯৯৬ | জয়ন্ত কুমাৰ নাথ | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯৬ - ১৯৯৭ | মহেন্দ্ৰ ডেকা | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯৭ - ১৯৯৮ | বিপুল ডেকা | বেৰণ চন্দ্ৰ নাথ |



| | | |
|---|---|---|
| ১৯৯৮ - ১৯৯৯ | বদৰুল জামান | বেৰণ চন্দ্ৰ নাথ |
| ১৯৯৯ - ২০০০ | মৃণাল কুমাৰ নাথ | বেৰণ চন্দ্ৰ নাথ |
| ২০০০ - ২০০১ | বিনোদ চহৰীয়া | বেৰণ চন্দ্ৰ নাথ |
| ২০০১-২০০২ | দীপক কুমাৰ নাথ | বেৰণ চন্দ্ৰ নাথ |
| ২০০২-২০০৩ | নিৰ্মল নাথ | বেৰণ চন্দ্ৰ নাথ |
| | | বিদ্যাৰাম নাথ |
| ২০০৩-২০০৪ | কৃষ্ণৰায় বৰুৱা | বিদ্যাৰাম নাথ |
| ২০০৪-২০০৫ | ৰতন চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| | | ড° দেবেন্দ্ৰ নাথ শৰ্মা |
| ২০০৫-২০০৬ | বিপুল কুমাৰ শৰ্মা | ড° দেবেন্দ্ৰ নাথ শৰ্মা |
| | | কনক চন্দ্ৰ ডেকা |
| ২০০৬-২০০৭ | দুলাল ডেকা | কনক চন্দ্ৰ ডেকা |
| ২০০৭-২০০৮ | গুণমণি নাথ | কনক চন্দ্ৰ ডেকা |
| ২০০৮-২০০৯ | দীপক চন্দ্ৰ ডেকা | কনক চন্দ্ৰ ডেকা |
| ২০০৯-২০১০ | ধীৰাজ কাকতি | কনক চন্দ্ৰ ডেকা |
| ২০১০-২০১১ | হিমাংশু নাৰায়ণ কোঁৱৰ | কনক চন্দ্ৰ ডেকা |
| ২০১১-২০১২ | সমৰেন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| | | ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১২-২০১৩ | প্ৰাঞ্জল বৰুৱা | ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১৩-২০১৪ | ৰঞ্জুমণি বৰুৱা | ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১৪-২০১৫ | অঞ্জনজ্যোতি চহৰীয়া | ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১৫-২০১৬ | জয়ন্ত বৰা | ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১৬-২০১৭ | সঞ্জয় শৰ্মা | ড° প্ৰদীপ চন্দ্ৰ ডেকা |
| ২০১৭-২০১৮ | বেৰন কুমাৰ নাথ | |

# ছিপাঝাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক আৰু তত্ত্বাৱধায়কসকল
## (১৯৮২ - ২০১৮)

| চন | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|
| ১৯৮২ - ১৯৮৩ | নন্দীৰাম কলিতা | দ্বিজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৩ - ১৯৮৪ | কমল হাজৰিকা | দ্বিজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৪ - ১৯৮৫ | দিলীপ কুমাৰ | মহেন্দ্ৰ কটকী |
| ১৯৮৫ - ১৯৮৬ | নিৰেন নাথ | দেৱব্ৰত বৰদলৈ |
| ১৯৮৬ - ১৯৮৭ | তপন কুমাৰ নাথ | মোহিনী গোস্বামী |
| ১৯৮৭ - ১৯৮৯ | প্ৰিয় কুমাৰ বৰা | ৰামচন্দ্ৰ ডেকা |
| ১৯৮৯ - ১৯৯০ | আখতাৰ হুচেইন | ৰামচন্দ্ৰ ডেকা |
| ১৯৯০ - ১৯৯১ | নীলমণি বৰা | ৰামচন্দ্ৰ ডেকা |
| ১৯৯১ - ১৯৯২ | মণ্টু চহৰীয়া | জয়ন্ত কুমাৰ হাজৰিকা, তন্দ্ৰালী চৌধুৰী |
| ১৯৯৩ - ১৯৯৪ | মন্টু চহৰীয়া | বিদ্যাৰাম নাথ |
| ১৯৯৪ - ১৯৯৫ | দিলীপ কুমাৰ শৰ্মা | প্ৰসন্ন কুমাৰ নাথ |
| ১৯৯৫ - ১৯৯৬ | দ্বিপেন বৰা | ড° ৰামচন্দ্ৰ ডেকা |
| ১৯৯৬ - ১৯৯৭ | দিগন্ত শৰ্মা | দেৱব্ৰত বৰদলৈ |
| ১৯৯৭ - ১৯৯৮ | অজিত কুমাৰ শৰ্মা | মুকুল কুমাৰ চহৰীয়া |
| ১৯৯৮ - ১৯৯৯ | জুৰি প্ৰিয়া দেৱী | তিলক ডেকা |
| ১৯৯৯-২০০০ | ভূপেন নাথ | প্ৰসন্ন কুমাৰ নাথ |
| ২০০০-২০০১ | মৃদুল শৰ্মা | মুকুল কুমাৰ চহৰীয়া |
| ২০০১-২০০২ | দিগন্ত শৰ্মা | প্ৰসন্ন কুমাৰ নাথ |
| ২০০২-২০০৩ | প্ৰান্তিকা ভট্টাচাৰ্য্য | দেৱব্ৰত বৰদলৈ |
| ২০০৩-২০০৪ | সম্ফুল নাথ | ড° দিবাকৰ চন্দ্ৰ দাস |
| ২০০৪-২০০৫ | নৃপেন ডেকা | ড° তন্দ্ৰালী চৌধুৰী |
| ২০০৫-২০০৬ | হিমাংশু গৌতম | মহেন্দ্ৰ কটকী |
| ২০০৬-২০০৭ | | |
| ২০০৭-২০০৮ | ভায়লিনা ভাৰতী | মহেন্দ্ৰ কটকী, দুলেন্দ্ৰ নাথ |
| ২০০৮-২০০৯ | বিভাৰাণী গোস্বামী | ড° প্ৰসন্ন কুমাৰ নাথ |
| ২০০৯-২০১০ | ৰূপজ্যোতি চহৰীয়া | মুকুল কুমাৰ চহৰীয়া |
| ২০১০-২০১১ | হিৰকজ্যোতি ভট্টাচাৰ্য্য | মহেন্দ্ৰ কটকী |
| ২০১১-২০১২ | কুলদ্বীপ বৰুৱা | মুকুল কুমাৰ চহৰীয়া |
| ২০১২-২০১৩ | ৰাজীৱ লোচন কুমাৰ | মহেন্দ্ৰ কটকী |
| ২০১৩-২০১৪ | বৰ্ণালী নাথ | ড° ৰামচন্দ্ৰ ডেকা |
| ২০১৪-২০১৫ | নিশিস্মিতা ঘোষ | ড° দিবাকৰ চন্দ্ৰ দাস |
| ২০১৫-২০১৬ | তবাচ্ছুম তাছ্দিক | মুকুল কুমাৰ চহৰীয়া |
| ২০১৬-২০১৭ | অগ্নিশিখা চহৰীয়া | ড° দিবাকৰ চন্দ্ৰ দাস |
| ২০১৭-২০১৮ | মেঘালী দেৱী | ড° দেৱব্ৰত বৰদলৈ |







মহাবিদ্যালয়ৰ শ্ৰেণীসমূহৰ ফুটবল প্ৰতিযোগিতাৰ এটি মুহূৰ্ত

শিক্ষাগুৰুৰ বিদায় মুহূৰ্ত











সাংস্কৃতিক শোভাযাত্ৰা
মহাবিদ্যালয় সপ্তাহ


সাংস্কৃতিক শোভাযাত্ৰা
ইংৰাজী বিভাগ
মহাবিদ্যালয় সপ্তাহ, ২০১৮
অসমৰ ধৰ্মীয় সম্প্ৰীতিৰ চানেকি
২০১৮ (বুধবাৰ)


ছিপাঝাৰ মহাবিদ্যালয়
মহাবিদ্যালয় সপ্তাহ
সাংস্কৃতিক শোভাযাত্ৰা


আমাৰ দৃষ্টিত নতুন দিগন্ত
দৰ্শন বিভাগ
ছিপাঝাৰ মহাবিদ্যালয়


দৰঙী কলা-কৃষ্টিৰ নিৰ্য্যাস
সাংস্কৃতিক শোভাযাত্ৰা
৩১ জানুৱাৰী, ২০১৮


ছিপাঝাৰ মহাবিদ্যালয়
সাংস্কৃতিক শোভাযাত্ৰা
অৰ্থনীতি বিভাগ
তাৰিখ ঃ ৩১ জানুৱাৰী ১৮


সাংস্কৃতিক শোভাযাত্ৰা
ছিপাঝাৰ মহাবিদ্যালয়
ভূগোল বিজ্ঞান বিভাগ


ছিপাঝাৰ মহাবিদ্যালয়
সাংস্কৃতিক শোভাযাত্ৰা
শিক্ষা বিভাগ